# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-06-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
## HEADLINES

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত।

২। চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীৰ বিদ্যালয়ত নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ উদ্দেশ্যে বিনামূলীয়া পৰিবহণ সুৰক্ষা-বাহন আঁচনি মুকলি।

৩। বিনামূলীয়া পাঠ্যপুথি সম্পৰ্কীয় ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ সদস্যসকলৰ সৈতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বৈঠক।

আৰু

৪। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণৰ তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ পদত্যাগ পত্ৰ গ্ৰহণ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। তেওঁ ২০১৪ চনৰ ২৬ মে'ত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰিছিল। শ্ৰীমোদীয়ে এই ক্ষেত্ৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। পণ্ডিত নেহৰুৱে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। তেওঁ একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰ্বাধিক সময়ৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ পালন কৰি ইতিহাস ৰচনা কৰাৰ বাবে ৰাজ্যৰ ৩ কোটি ৫০ লাখ জনসাধাৰণৰ হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ড° শৰ্মাই কয়, যে প্ৰধানমন্ত্ৰ মোদীৰ নেতৃত্বত অসমে কেৱল উন্নয়নৰ ক্ষেত্ৰত গতি লাভ কৰাই নহয় বৰং নতুন সম্ভাৱনা, নতুন আত্মবিশ্বাস আৰু নতুন পৰিচয়েৰে দেশৰ বিকাশ যাত্ৰাৰ শক্তিশালী কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। বৰ্তমানৰ নতুন অসমৰ এই যাত্ৰাত শ্ৰীমোদীৰ দৃষ্টিভংগী সদায় প্ৰেৰণাৰ উৎস হৈ ৰব বুলি তেওঁ মন্তব্য কৰে।

ooooo

ৰাজ্য চৰকাৰে সৰ্বাত্মক আৰু বাধাৰহিত শিক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সমগ্ৰ ৰাজ্যৰ চাহ বাগিচা এলেকাৰ শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া পৰিবহণ উদ্যম মুকলি কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সামাজিক মাধ্যমযোগে এইকথা সদৰি ক'ৰে। তেওঁ কয় যে যাতায়াতৰ অসুবিধাৰ বাবে শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় এৰাৰ সমস্যা ৰোধ কৰাৰ উদ্দেশ্যে 'বিনামূলীয়া পৰিবহণ-সুৰক্ষা বাহন সুবিধা' নামৰ এই আঁচনিখন বিকশাই তোলা হৈছে। তেওঁ কয় যে এই পদক্ষেপৰ জৰিয়তে চাহ বাগিচা অঞ্চলত বাস কৰা উপান্ত আৰু দুখীয়া সম্প্ৰদায়ৰ প্ৰথমৰ পৰা দশম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া পৰিবহণ সুবিধা প্ৰদান কৰা হ'ব আৰু ই বিদ্যালয়ত

শিক্ষাৰ্থীসকলৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰাত সহায় কৰিব। ৰাজ্যৰ এঘাৰখন জিলাত অহা বছৰৰ ৩১ মাৰ্চলৈ ৰূপায়িত হ'বলগীয়া এই আঁচনিৰ জৰিয়তে ১৯৮ খন বিদ্যালয়ৰ ৯  হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। আঁচনিৰ অধীনত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাবৰ্ষটোত ৫ হাজাৰ ৪০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব আৰু বিদ্যালয় পৰিচালনা সমিতিৰ জৰিয়তে স্থানীয় পৰ্যায়ত পৰিবহণৰ ব্যৱস্থা কৰা হ'ব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে  আঁচনিখন সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে ইয়াৰ ফলত হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ বিদ্যালয়মুখী যাত্ৰা অধিক সুৰক্ষিত আৰু সহজ হৈ উঠিব।  তেওঁ কয় যে ৰাজ্যত ইতিমধ্যে ৰূপায়ণ হৈ থকা পদক্ষেপসমূহৰ লগতে এই ব্যৱস্থাই চাহ বাগিচা অঞ্চলৰ সন্তানসকলৰ শিক্ষা জীৱন অধিক সুদৃঢ় কৰিব। ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ বাবে শিক্ষাৰ সমান সুযোগ নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত বিনামূলীয়া পাঠ্যপুথি সম্পৰ্কীয় ৰাজ্যিক পৰ্যায়ৰ সমিতিৰ সদস্যসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ২০২৭-২৮ শিক্ষাবৰ্ষ আৰু ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথিৰ কাগজ ক্ৰয়, মুদ্ৰণ, পৰিবহণ আৰু বিতৰণ সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি বিভিন্ন কাৰ্যসূচীৰ সময়সীমা, শিক্ষাসেঁতু, দৰ্পণ প'ৰ্টেল আদিৰ জৰিয়তে নামভৰ্তিৰ তথ্য, প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় বিত্তীয় সাহায্য, নতুনকৈ প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহৰ মুদ্ৰণ ব্যয় তথা পাঠ্যপুথি সহজে লাভ কৰাটো নিশ্চিত কৰাৰ বাবে ই-বুকৰ ব্যৱস্থাকে ধৰি অন্যান্য ডিজিটেল পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়। ডাঃ পেগুৱে বিষয়াসকলক সকলো কাৰ্যসূচী নিৰ্ধাৰিত সময়ৰ ভিতৰত ৰূপায়ণ কৰাটো নিশ্চিত কৰিবলৈ আৰু তথ্যভিত্তিক পৰিকল্পনাত স্বচ্ছতা বজাই ৰাখিবলৈ আহ্বান জনায়।

০০০০০

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। ৰাজ্যসভাৰ সদস্যপদ ত্যাগৰ পাছতে তেওঁ আজি নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা সন্তোষ মোহন দেৱৰ কন্যা সুস্মিতা দেৱে ২০২১ চনত কংগ্ৰেছ দল ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। শিলচৰ লোকসভা সমষ্টিৰ পৰা তেওঁ সাংসদ হিচাপেও নিৰ্বাচিত হৈছিল। দলত্যাগৰ পাছত সাংবাদিকৰ আগত শ্ৰীমতী দেৱে এইদৰে কয় –

***বাইট***

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যখনৰ বনাঞ্চল সুৰক্ষাৰ স্বাৰ্থত চাৰিখন সংৰক্ষিত বনাঞ্চলত উচ্ছেদৰ চৰকাৰী সিদ্ধান্তৰ সপক্ষে ৰায় দিছে। নগাঁও জিলাৰ লুটুমাই, যমুনাৰ মৌদংগা, নামবৰ দক্ষিণ আৰু বৰপানী সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱাৰ বাবে ন্যায়ালয়ে সেউজ সংকেত দিছে। এই উচ্ছেদৰ জাননীৰ প্ৰত্যাহ্বান জনাই চাৰি শতাধিক আবেদনকাৰীয়ে দাখিল কৰা সকলো আবেদন উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। এই অনুসৰি বন বিভাগে চলিত বছৰৰ ৭ মাৰ্চত জাৰি কৰা জাননীৰ আধাৰত বনাঞ্চলখনৰ ভূমি অবৈধভাৱে দখল কৰি থকা লোকসকলৰ বিৰুদ্ধে উচ্ছেদ চলাব পাৰিব। উচ্চ ন্যায়ালয়ে ৩০ দিনৰ ভিতৰত দখলকাৰীয়ে এই অঞ্চলসমূহ খালী নকৰিলে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে আবেদনকাৰীসকলে কেইবাদশক ধৰি বনভূমিত বসবাস কৰি অহাৰ লগতে জীৱিকা আৰু সামাজিক সুৰক্ষাৰ বিষয়টো উল্লেখ কৰিছিল। ইয়াৰ বিপৰীতে গোচৰসমূহৰ শুনানিত চৰকাৰৰ ফালৰ পৰা পূৰ্বে উচ্চতম ন্যায়ালয়ত দাখিল কৰা প্ৰতিবেদনত ৰাজ্যৰ মুঠ বনাঞ্চলৰ ১৯ দশমিক ৯-২ শতাংশ দখলকাৰীৰ কৱলত থকা বুলি তথ্য দিয়া হৈছিল। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰাৰ বিচাৰপীঠে সোমবাৰে দিয়া ৰায়ত আবেদনকাৰীসকলে  কোনো বৈধ আবণ্টনপত্ৰ বা ভূমি নিষ্পত্তি অবিহনে সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল

কৰি থকা হেতুকে তেওঁলোকক অবৈধ দখলকাৰী হিচাপে গণ্য কৰা হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ বন বিভাগে এই বনাঞ্চলসমূহৰ অবৈধ দখলকাৰীলৈ ৭ মাৰ্চত ১৫ দিনৰ ভিতৰত সেই স্থান খালী কৰিবলৈ জাননী জাৰি কৰিছে।

ooooo

গুজৰাটৰ ট্ৰান্স ষ্টেডিয়ামত যোৱা ৪ জুনৰ পৰা অনুষ্ঠিত প্ৰথম বিশ্ব যোগাসন চেম্পিয়নশ্বিপৰ ১৪ বছৰ অনুৰ্ধ শাখাত সোণৰ পদক অৰ্জন কৰা আদৃত কাশ্যপক আজি যোৰহাটত আদৰণি জনোৱা হয়। মৰিয়নীৰ প্ৰতিভাৱান কিশোৰ আদৃত কাশ্যপে প্ৰথম বিশ্ব যোগাসন চেম্পিয়নশ্বিপত স্বৰ্ণ পদক লাভ কৰি অসম তথা যোৰহাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। বিশ্ব যোগাসন, যোগাসন ভাৰত, ছাই আৰু ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে যৌথভাৱে এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজন কৰিছিল।

ooooo

চিচিবৰ গাঁও বিধানসভা সমষ্টিৰ বিধায়ক জীৱন গগৈয়ে আজি চিলাপথাৰ পৌৰসভাত পদেন সদস্য হিচাপে আনুষ্ঠানিকভাৱে শপতগ্ৰহণ কৰে। চিলাপথাৰ পৌৰসভাৰ সভাকক্ষত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিধায়কগৰাকীয়ে জনসেৱা, উন্নয়ন আৰু সু-শাসনৰ পথত নিজকে সমৰ্পিত কৰি সকলোৰে সহযোগিতাত কাম কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে জনসাধাৰণৰ আস্থা, সহযোগিতা আৰু আশীৰ্বাদক শক্তি হিচাপে লৈ চিলাপথাৰৰ সৰ্বাংগীন উন্নয়ন, জনকল্যাণ আৰু সমৃদ্ধিৰ লক্ষ্যত সততাৰে কাম কৰি যোৱাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পৰিত্ৰ মাৰ্ঘেৰিটা, ধেমাজি জিলাৰ আয়ুক্ত ৰাহুল সুৰেশ জাৱীৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

NDA চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত এন ডি এৰ এখন বৈঠক অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী মোদীকে ধৰি বিজেপিৰ কেইবাগৰাকীও শীৰ্ষ নেতা তথা NDA মিত্ৰজোঁটৰ নেতাসকলে এই বৈঠকত অংশ লৈছে। বৈঠকত NDA শাসিত ২২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আটাইবোৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলেও অংশ লৈছে। বৈঠকত অংশগ্ৰহণ কৰা নেতাসকলৰ ভিতৰত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, টি ডি পিৰ মুৰববী চন্দ্ৰবাবু নাইডু, জে ডি ইউৰ নেতা সঞ্জয় ঝা, শিৱসেনাৰ মুৰববী একনাথ সিন্দে, এল জে পি আৰৰ নেতা চিৰাগ পাছোৱান, এন চি পিৰ নেতা সুনিত্ৰা পাৱাৰ, জে এছ পিৰ নেতা পৱন কল্যাণ, এইচ এ এমৰ নেতা জিতম ৰাম মাঝি, জে ডি এছৰ নেতা এইচ ডি কুমাৰাস্বামী আৰু আৰ এল ডিৰ নেতা জয়ন্ত চৌধুৰী অন্যতম। বৈঠকত বিভিন্ন ৰাষ্ট্ৰীয় উন্নয়নমূলক কাৰ্যসূচী, আন্তঃগাঁথনিমূলক কাৰ্যসূচী আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ দিশত মোদী চৰকাৰৰ দৰ্শনৰ পৰ্যালাচনা কৰা হৈছে।

ooooo

**সমাপ্ত**